
ৰাজনীতি

ছোনিয়া গান্ধীৰ আত্মজীৱনী ‘বিলঙিং’ প্ৰকাশ

ছোনিয়া গান্ধীৰ ৫৪৪ পৃষ্ঠাৰ আত্মজীৱনী ‘বিলঙিং: এ জার্নি অৱ লাভ’ প্ৰকাশ পাইছে। গ্ৰন্থখনত ব্যক্তিগত জীৱন, গান্ধী পৰিয়াল আৰু ৰাজনৈতিক ঘটনাৰ কথা স্থান পাইছে।

প্ৰকাশ: ১০ নৱেম্বৰ ২০২৬, আবেলি ৪:২৫



(SOCIAL MEDIA)

নতুন দিল্লী, ১০ নৱেম্বৰ: কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী ছোনিয়া গান্ধীৰ বহু চৰ্চিত আত্মজীৱনী ‘বিলঙিং: এ জার্নি অৱ লাভ’ প্ৰকাশ পাইছে। ৫৪৪ পৃষ্ঠাৰ গ্ৰন্থখনত তেওঁৰ ব্যক্তিগত জীৱন, ৰাজীৱ গান্ধীৰ সৈতে সম্পৰ্ক, গান্ধী পৰিয়ালৰ বিভিন্ন ঘটনা আৰু ভাৰতৰ ৰাজনৈতিক ইতিহাসৰ কেইবাটাও গুৰুত্বপূৰ্ণ অধ্যায়ৰ বিষয়ে লিখিছে।

গ্ৰন্থখনত ইটালীত কটোৱা শৈশৱৰ পৰা ভাৰতলৈ অহা, প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ সৈতে প্ৰথম সাক্ষাৎ, প্ৰেম আৰু বিবাহৰ অভিজ্ঞতা বৰ্ণনা কৰিছে ছোনিয়া গান্ধীয়ে। পৰিয়ালটোৰ ওপৰত পৰা কেইবাটাও গভীৰ আঘাতৰ কথাও তেওঁ উল্লেখ কৰিছে।

ইয়াৰ ভিতৰত সঞ্জয় গান্ধীৰ বিমান দুৰ্ঘটনাত মৃত্যু, ১৯৮৪ চনত ইন্দিৰা গান্ধীৰ হত্যাকাণ্ড আৰু ১৯৯১ চনত ৰাজীৱ গান্ধীৰ হত্যাকাণ্ডৰ বিষয়ো অন্তৰ্ভুক্ত হৈছে। গ্ৰন্থখনত পৰিয়ালৰ ব্যক্তিগত আলোকচিত্ৰৰ লগতে ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী আৰু নাতি-নাতিনীৰ কথাও স্থান পাইছে।

গ্ৰন্থখনৰ অন্যতম চৰ্চিত বিষয় হৈছে ১৯৭৫ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ঘোষণা কৰা জৰুৰীকালীন

অৱস্থা। ছোনিয়া গান্ধীয়ে ইয়াক এক ভুল সিদ্ধান্ত বুলি উল্লেখ কৰিছে। সঞ্জয় গান্ধীক নিয়ন্ত্রণত ৰাখিব পাৰিলে সেই সময়ত হোৱা বহু ক্ষতি ৰোধ কৰিব পৰা গ'লহেঁতেন বুলিও তেওঁ মত প্ৰকাশ কৰিছে।

২০০৪ চনৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছৰ বিজয়ৰ পিছত প্ৰধানমন্ত্ৰীৰ পদ গ্ৰহণ নকৰাৰ সিদ্ধান্তৰ বিষয়েও গ্ৰন্থখনত নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰিছে ছোনিয়া গান্ধীয়ে। তেওঁ পূৰ্বে এই গ্ৰন্থখনক ৰাজনৈতিক বক্তব্যৰ পৰিৱৰ্তে নিজৰ ব্যক্তিগত জীৱনৰ কাহিনী বুলি অভিহিত কৰিছিল।

"বহু বছৰ ধৰি আন লোকে মোৰ জীৱনৰ কথা লিখি আহিছে; এইবাৰ নিজৰ কাহিনী নিজে কোৱাৰ সময় আহিছে।"

গ্ৰন্থখন প্ৰকাশৰ দিনাই ইয়াক লৈ ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ চি আৰ কেশৱনে আত্মজীৱনীখনক 'বিলঙিং'ৰ পৰিৱৰ্তে 'হোৱাইটৱাশিং' নামেৰে অভিহিত কৰা উচিত বুলি মন্তব্য কৰিছে। তেওঁৰ অভিযোগ, গ্ৰন্থখনত গান্ধী পৰিয়াল আৰু কংগ্ৰেছৰ অতীতৰ বিতৰ্কিত অধ্যায়সমূহৰ দায় এৰাই যোৱাৰ চেষ্টা কৰা হৈছে।

বিশেষকৈ জৰুৰীকালীন অৱস্থাৰ বৰ্ণনাক লৈ কেশৱনে আপত্তি প্ৰকাশ কৰিছে। সেই সময়ত মৌলিক অধিকাৰ স্থগিত ৰখা, সংবাদ মাধ্যমৰ ওপৰত চেঞ্চৰশ্বিপ আৰু অন্যান্য ঘটনাৰ সম্পূৰ্ণ দায় গ্ৰন্থখনত স্পষ্টভাৱে আলোচনা কৰা হোৱা নাই বুলি তেওঁ অভিযোগ কৰে। ইয়াৰ পূৰ্বে ভাৰতীয় সংস্কৰণ প্ৰকাশক লৈ পেংগুইন ৰেণ্ডম হাউছ ইণ্ডিয়াৰ সৈতে ছোনিয়া গান্ধীৰ প্ৰতিনিধিসকলৰ মতানৈক্য হৈছিল। পিছত হাৰ্পাৰকলিন্স ইণ্ডিয়াই ভাৰতত গ্ৰন্থখন প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1767/sonia-gandhi-belonging-autobiography-release